# সংবিধান

লক্ষীমপুৰ কেন্দ্ৰীয় মহাবিদ্যালয়
ছাত্ৰ একতা সভা

# প্ৰস্তাৱনা

আমি লক্ষীমপুৰ কেন্দ্ৰীয় মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে লক্ষীমপুৰ কেন্দ্ৰীয় মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত আধ্যাত্মিক, বৌদ্ধিক, শাৰীৰিক আৰু মানসিক বিকাশ সাধনৰ জৰিয়তে শৈক্ষিক আৰু সামাজিক পৰিবেশ অটুট ৰাখি সকলোৰে মাজত ভাতৃত্ববোধ জগাই তোলাৰ উদ্দেশ্যে নিষ্ঠা সহকাৰে সংকল্প কৰি এই সংবিধান গ্ৰহণ কৰিছোঁ, অধিনিয়মিত কৰিছোঁ আৰু নিজকে অৰ্পণ কৰিছোঁ।

## অনুচ্ছেদ ১ঃ নাম (Name)

এই সংগঠনৰ নাম হব লক্ষীমপুৰ কেন্দ্ৰীয় মহাবিদ্যালয় ছাত্ৰ একতা সভা (LAKHIMPUR KENDRIYA MAHAVIDYA-LAYA STUDENTS' UNION)

## অনুচ্ছেদ ২ঃ প্ৰতীক (Symbol)

লক্ষীমপুৰ কেন্দ্ৰীয় মহাবিদ্যালয়ৰ প্ৰতীকটোৱেই লক্ষীমপুৰ কেন্দ্ৰীয় মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰতীক হব।

## অনুচ্ছেদ ৩ঃ লক্ষ্য আৰু উদ্দেশ্য (Aims and Objective)

ক] মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ অটুট ৰাখি মানবীয় গুণৰাজি বিকাশ সাধনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ মাজত ঐক্য আৰু ভাতৃত্ববোধ জগাই তোলা।

খ] ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ মাজত সৌহাদ্যপূৰ্ণ সম্বন্ধ অটুট ৰখা।

গ] মহাবিদ্যালয়, সমাজ আৰু দেশক অনিষ্ট কৰা কাৰ্য্যৰ পৰা বিৰত ৰাখি ছাত্ৰ-ছাত্ৰীক প্ৰকৃত দায়িত্ব আৰু কৰ্ত্তব্যবোধৰ প্ৰতি সচেতন কৰি তোলা।

ঘ] মহাবিদ্যালয়ৰ ঐতিহ্য আৰু সুনামৰ প্ৰতি ছাত্ৰ-ছাত্ৰীক সচেতন কৰাৰ লগতে মহাবিদ্যালয়ৰ সৰ্ব্বাঙ্গীন উন্নতিকল্পে চেষ্টা কৰা।

**অনুচ্ছেদ ৪ ঃ**

একতা সভাই নিজ লক্ষ্য আৰু উদ্দেশ্যত উপনীত হবৰ বাবে তলত দিয়া উপায় সমূহ অবলম্বন কৰিব ঃ

ক] বক্তৃতা সভা, তৰ্ক আৰু আলোচনা সভা, প্ৰদৰ্শনী, সংগীত আৰু সাংস্কৃতিক অনুষ্ঠান, সুকুমাৰ কলা প্ৰতিযোগিতা আদিৰ আয়োজন কৰা।

খ] খেল-ধেমালী আৰু শৰীৰ চৰ্চা প্ৰতিযোগিতাৰ আয়োজন কৰা।

গ] সমাজসেৱা আৰু আত্ম সাহাৰ্য্যমূলক আঁচনি গ্ৰহণ কৰা।

ঘ] মহাবিদ্যালয়ৰ আলোচনী প্ৰকাশ কৰা।

ঙ] মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (N.C.C) ৰাষ্ট্ৰীয় সেৱা আঁচনি (N.S.S) আৰু ৰেঞ্জাৰ আঁচনিত অংশ গ্ৰহণ কৰিবলৈ ছাত্ৰ ছাত্ৰী সকলক উৎসাহিত কৰা।

চ] বিশ্ববিদ্যালয় আৰু স্বীকৃতি প্ৰাপ্ত অনুষ্ঠানে (Recognised agency) আয়োজন কৰা আন্তঃমহাবিদ্যালয় বা আন প্ৰতিযোগিতা সমূহত যথাৰীতি ভাৱে অংশ গ্ৰহণ কৰা।

ছ] লক্ষীমপুৰ কেন্দ্ৰীয় মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সংবিধানৰ অনুচ্ছেদ ৩ ত উল্লেখ কৰা লক্ষ্য আৰু উদ্দেশ্যত উপনীত হব পৰা আৰু একতা সভাই নীতিগত ভাৱে সিদ্ধান্ত কৰা যিকোনো আঁচনি গ্ৰহণ কৰা।

**অনুচ্ছেদ ৫ ঃ ভাষা (Language)**

ক] মহাবিদ্যালয়ৰ শিক্ষাৰ মাধ্যম যি ভাষাত হয় সেই ভাষাৰেই একতা সভাৰ কাম কাজ পৰিচালনা হব।

খ] মহাবিদ্যালয়ৰ আলোচনী প্ৰকাশৰ ভাষা হব অসমীয়া আৰু ইংৰাজী।

**অনুচ্ছেদ ৬ ঃ সদস্য (Membership)**

ক] লক্ষীমপুৰ কেন্দ্ৰীয় মহাবিদ্যালয়ৰ সকলো নিয়মীয়া ছাত্ৰ-ছাত্ৰী এই একতা সভাৰ সদস্য হব।

খ] লক্ষীমপুৰ কেন্দ্ৰীয় মহাবিদ্যালয়ৰ শিক্ষক সকল (Teaching



staff) একতা সভাৰ সদস্য হব, কিন্তু ভোটদানৰ অধিকাৰ (voting power) নাথাকিব।

**অনুচ্ছেদ ৭ ঃ কাৰ্য্যনিৰ্ব্বাহক কমিটি (Executive Commitee)**

একতা সভাৰ কাৰ্য্যনিৰ্ব্বাহক কমিটিখন তলত দিয়া ধৰণে গঠিত হবঃ

ক) সভাপতি [ President ]

খ) উপ-সভাপতি [ vice - President ]

গ) বিভাগীয় উপদেষ্টা [ Professor in charge ]

ঘ) সাধাৰণ সম্পাদক [ General Secretary ]

ঙ) সহঃ সাঃ সম্পাদক [Astt. General Secy]

চ) তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদক [Debating & Symposium Secy]

ছ) আলোচনী আৰু সাহিত্য শাখাৰ সম্পাদক [Magazine and Literary Secy]

জ) সঙ্গীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদক [ Music and Cultural Secy ]

ঝ) গুৰু ক্ৰীড়া বিভাগৰ সম্পাদক [ Major Games Secy ]

ঞ) লঘু ক্ৰীড়া বিভাগৰ „ [ Minor Games Secy ]

ট) সমাজসেৱা বিভাগৰ „ [ Social Service Secy ]

ঠ) ছাত্ৰ জিৰণী কোঠাৰ „ [ Boys' Common Room Secy ]

ড) ছাত্ৰী জিৰণী কোঠাৰ „ [Girls' Common Room Secy]

ঢ) প্ৰত্যেক শ্ৰেণীৰ পৰা একোজনকৈ শ্ৰেণী প্ৰতিনিধি [ Class Representative ]

**অনুচ্ছেদ ৮ঃ কাৰ্য্যনিৰ্বাহক কমিটিৰ ক্ষমতা আৰু কাৰ্য্য ( Powers and Functions of the Executive Committee )**

ক] কাৰ্য্যনিৰ্ব্বাহক কমিটিয়ে সংবিধানৰ ৩নং অনুচ্ছেদত উল্লেখ কৰা লক্ষ্যত উপনীত হবলৈ আঁচনি আৰু নীতি গ্ৰহণ কৰিব।

খ] কাৰ্য্যভাৰ গ্ৰহণৰ ১৫ দিনৰ ভিতৰত Executive Budget অধিবেশন।

গ] কাৰ্য্যনিৰ্ব্বাহক কমিটিয়ে একতা সভাৰ বছেৰেকীয়া বাজেট (Annual Budget) গ্ৰহণ কৰিব।

ঘ] কাৰ্য্যনিৰ্বাহক কমিটিয়ে মহাবিদ্যালয়ৰ বিভিন্ন কাৰ্য্যসমূহ যেনে— নবাগত আদৰণি, কলেজ সপ্তাহ, সাধাৰণতে মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা উৎসৱ পৰ্বসমূহ অনুষ্ঠিত কৰিব।

ঙ] কোনো ছাত্ৰই বা কাৰ্য্যনিৰ্বাহক কমিটিৰ সদস্যই সংবিধান অমান্য কৰিছে বা তেওঁ কাৰ্য্যনিৰ্বাহক কমিটিৰ সিদ্ধান্তক অৱমাননা কৰিছে বা তেওঁৰ কাৰ্য্যই মহাবিদ্যালয় আৰু একতা সভাৰ স্বাৰ্থ, সন্মান আৰু নিয়ম শৃঙ্খলাত ব্যাঘাত জন্মাইছে তেন্তে কাৰ্য্যনিৰ্বাহক কমিটিয়ে তেওঁৰ ওপৰত অনুশাসন মূলক ব্যৱস্থা হিচাপে সতৰ্ক বা আৱশ্যক অনুসৰি সাময়িক ভাৱে বহিস্কাৰ ব্যৱস্থা লব।

চ] কাৰ্য্য নিৰ্বাহক কমিটিৰ সকলো কাৰ্য্যৰ বাবে একতা সভাৰ ওচৰত দায়ী হব।

**অনুচ্ছেদ ৯ঃ সভাপতি ( President )**

ক] লক্ষীমপুৰ কেন্দ্ৰীয় মহাবিদ্যালয়ৰ অধ্যক্ষ (Principal) ছাত্ৰ একতা সভাৰ আৰু কাৰ্য্যনিৰ্ব্বাহক কমিটিৰ পদেন ( Ex-officio ) সভাপতি হ'ব।

খ] সভাপতিয়ে ছাত্ৰ একতা সভা আৰু কাৰ্য্যনিৰ্বাহক কমিটিৰ বৈঠকত সভাপতিত্ব কৰিব, কোনো পৰিস্থিতিত সিদ্ধান্ত গ্ৰহণ কৰোতে মতানৈক্য হৈ ভোটৰ সংখ্যা সমান হলে সভাপতিৰ মত ( ভোট ) নিৰ্ণায়ক মত ( ভোট ) হ'ব।

গ] তেওঁ সন্থাৰ পুঁজি নিয়ন্ত্ৰণ কৰিব আৰু অনুমোদন জনাব।



ঘ] সভাপতিয়ে ছাত্ৰ একতা সভাৰ সকলো কামকাজ যাতে সংবিধান সন্মত হয় তাৰ প্ৰতি লক্ষ্য ৰাখিব।

ঙ] যিকোনো বিবাদৰ ক্ষেত্ৰত মধ্যস্থতাকাৰী (Arbitrator) হিচাপে চূড়ান্ত ৰায় দিয়াৰ ক্ষমতা সভাপতিৰ থাকিব।

চ] যিকোনো প্ৰস্তাৱ দাঙি ধৰাৰ ক্ষমতা আন সদস্যৰ দৰে সভাপতিৰো থাকিব।

ছ] সভাপতিয়ে তেওঁৰ দ্বাৰা মনোনীত যিকোনো দুজন কাৰ্য্যকৰী কমিটিৰ বিভাগীয় উপদেষ্টা আৰু সাধাৰণ সম্পাদকক লৈ সংবিধানৰ চূড়ান্ত ব্যাখ্যা কৰিব পাৰিব।

জ] অতি জৰুৰীকালীন অৱস্থাত সমূহীয়া স্বাৰ্থৰ খাতিৰত যিকোনো সময়ত কাৰ্য্যনিৰ্বাহক কমিটি বা সাধাৰণ সভা অনুষ্ঠিত কৰিবলৈ নিৰ্দ্দেশ দিব।

**অনুচ্ছেদ ঃ ১০ উপ-সভাপতি ( Vice-President )**

ক] সাধাৰণতে উপ-সভাপতিয়ে সভাপতিৰ সকলো কামতে সহায় কৰিব। সভাপতিৰ অনুপস্থিতিত উপ-সভাপতিৰ দায়িত্ব পালন কৰিব।

**অনুচ্ছেদ ১১ ঃ উপদেষ্টা (Prof-in-Charge)**

(ক) সভাপতিয়ে প্ৰত্যেক বিভাগৰ তত্বাবধায়ক (supervisor) হিচাপে নিৰ্দ্দেশ আৰু পৰামৰ্শ দিবলৈ মহাবিদ্যালয়ৰ শিক্ষক সকলৰ মাজৰ পৰা এজনকৈ বিভাগীয় উপদেষ্টা নিয়োগ কৰিব।

(খ) উপদেষ্টাই বিভাগীয় সম্পাদকক বিভাগীয় খৰচৰ (Sectional Budget) তৈয়াৰ কৰাত সহায় কৰিব। উপদেষ্টাৰ অনুমোদন ক্ৰমেহে সভাপতিয়ে বিভাগীয় সম্পাদকক আৰ্থিক মঞ্জুৰীৰ অনুমোদন জনাব।

(গ) উপদেষ্টাই বিভাগীয় সকলো সম্পত্তিৰ দায়িত্ব লব আৰু সম্পত্তিৰ বহী (stock book) নিয়ন্ত্ৰণ কৰিব।

(ঘ) উপদেষ্টাই একতা সভাৰ আৰু কাৰ্য্যনিৰ্ব্বাহক কমিটিৰ সভাত উপস্থিত হৈ অংশ গ্ৰহণ কৰিব পাৰিব, কিন্তু ভোটদানৰ ক্ষমতা নাথাকিব।

অনুচ্ছেদ ঃ ১২ ঃ সাধাৰণ সম্পাদক (General Secretary)

(ক) সাধাৰণ সম্পাদকে কাৰ্য্যনিৰ্ব্বাহক কমিটি আৰু কলেজ কর্তৃপক্ষৰ মাজত আৰু বিভিন্ন বিভাগ সমূহৰ মাজত সমন্বয় ৰক্ষা কৰিব। সকলো বিভাগৰ সম্পাদকৰ কাৰ্য্যৰ ওপৰত তেওঁ চকু ৰাখিব।

(খ) সভাপতিৰ অনুমোদন ক্ৰমে কাৰ্য্যনিৰ্ব্বাহক কমিটি বা সাধাৰণ সভা আহ্বান কৰিবলৈ সাধাৰণ সম্পাদকে কমপক্ষেও তিনিদিনৰ আগতে জাননী দিব লাগিব।

(গ) বিশেষ জৰুৰী বুলি বিবেচনা কৰিলে সাধাৰণ সম্পাদকে সভাপতিৰ লগত আলোচনা কৰি যিকানো সিদ্ধান্ত গ্ৰহণ কৰিব পাৰিব। অৱশ্যে উক্ত সিদ্ধান্ত যিমান সম্ভৱ সোনকালে কাৰ্য্যনিৰ্বাহক কমিটিত অনুমোদনৰ বাবে দাঙি ধৰিব লাগিব।

(ঘ) কাৰ্য্যকৰী কমিটিৰ ⅓ (এক তৃতীয়াংশ) ছাত্ৰ সদস্যই যদি লিখিতভাৱে কাৰ্য্যনিৰ্ব্বাহক কমিটি আহ্বান কৰিবলৈ দাবী জনায়, তেনেহলে সাধাৰণ সম্পাদকে তিনিদিনৰ ভিতৰত সভা আহ্বান কৰিব লাগিব। এনে ক্ষেত্ৰত সাধাৰণ সম্পাদক বিফল হলে সভাপতিয়ে সহকাৰী সাধাৰণ সম্পাদক বা এওঁৰ অনুপস্থিতিত যিকোনো সম্পাদকক উক্ত সভা অনুষ্ঠিত কৰিবলৈ নিৰ্দ্দেশ দিব।

(ঙ) সাধাৰণ সম্পাদকে কাৰ্য্য নিৰ্বাহক কমিটি আৰু সাধাৰণ সভাৰ কাৰ্য্য বিৱৰণী ৰাখিব। প্ৰতিজন কাৰ্য্যনিৰ্ব্বাহক সভাৰ আৰম্ভণিতে সাধাৰণ সম্পাদকে আগৰ কাৰ্য্যনিৰ্বাহকৰ কাৰ্য্যবিৱৰণি পাঠ কৰিব।

(চ) বছৰৰ শেষত সাধাৰণ সম্পাদকে "বছেৰেকীয়া প্ৰতিবেদন" দাখিল কৰিব।

(ছ) সাধাৰণ সম্পাদকে কাৰ্য্য নিৰ্বাহক কমিটিয়ে দায়িত্ব দিয়া যি কোনো কাৰ্য্য পালন কৰিব।

(জ) সাধাৰণ সম্পাদকে সম্ভাব্য ব্যয়ৰ কাৰণে ১০০ (এশ) টকা হাতত ৰাখিব পাৰিব। এই টকাৰ হিচাপ তেওঁ পাছত দাখিল কৰিব পাৰিব।



অনুচ্ছেদ ১৩ ঃ সহঃ সাধাৰণ সম্পাদক (Astt. Gen. Secy)

সাধাৰণ সম্পাদকৰ অনুপস্থিতিত সহঃ সাধাৰণ সম্পাদকে সাধাৰণ সম্পাদকৰ সকলো দায়িত্ব পালন কৰিব। সেই সময়ছোৱাত সাধাৰণ সম্পাদকৰ ক্ষমতা তেওঁৰ হাতত থাকিব। সাধাৰণ সম্পাদকক সকলো কামতে সহঃ সাধাৰণ সম্পাদকে সহায় কৰিব।

অনুচ্ছেদ ১৪ ঃ বিভাগীয় সম্পাদক (Sectional Secretaries)

(ক) বিভাগীয় সম্পাদকে উপদেষ্টাৰ পৰামৰ্শ আৰু সহায়ত এক দলীয় মনোভাৱেৰে নিজ কাৰ্য্য সম্পাদন কৰিব আৰু বিভাগীয় কাম কাজৰ বাবে একতা সভাৰ ওচৰত দায়বদ্ধ থাকিব।

(খ) বাৰ্ষিক বাজেট কাৰ্য্য নিৰ্ব্বাহকে গ্ৰহণ কৰাৰ পাছত উপদেষ্টাৰ সহযোগত 'বিভাগীয় বাজেট' প্ৰস্তুত কৰিব।

(গ) বিভাগীয় সম্পাদকে সাধাৰণ সম্পাদকৰ লগত আলোচনা ক্ৰমে কাম কৰিব।

(ঘ) নিজ বিভাগৰ সম্পত্তি আৰু আচবাব আদিৰ বাবে এখন সম্পত্তিৰ বহী ৰাখিব।

(ঙ) বিভাগীয় সম্পাদক যদি উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক বা স্নাতক দ্বিতীয় বা তৃতীয় বাৰ্ষিকৰ হয় তেনেহলে বাছনি পৰীক্ষাৰ (Test Exam) ৰ আগে আগে বিভাগৰ সকলো হিচাপ উপদেষ্টাক দিব লাগিব।

(চ) কলেজ প্ৰতিনিধি দল কোনো ঠাইলৈ পঠাবলৈ হলে বিভাগীয় সম্পাদকে উপদেষ্টাৰ সহযোগত সদস্যৰ সম্পূৰ্ণ তালিকা আৰু আনুমানিক খৰছৰ খচৰা প্ৰস্তুত কৰিব।

অনুচ্ছেদ ঃ ১৫ আলোচনী সম্পাদনা সমিতি (Editorial Board of Magazine)

(ক) লক্ষীমপুৰ কেন্দ্ৰীয় মহাবিদ্যালয়ৰ আলোচনী সম্পাদনা সমিতি

খন আলোচনী আৰু সাহিত্য শাখাৰ উপদেষ্টা আৰু সম্পাদিকাৰ উপৰিও সভাৰ সভাপতিয়ে উপদেষ্টাৰ লগত আলোচনা কৰি মহাবিদ্যালয়ৰ দুজন শিক্ষক আৰু এগৰাকী সাহিত্যানুৰাগী ছাত্ৰ বা ছাত্ৰীক মনোনীত কৰিব; এনেদৰে সম্পাদনা সমিতিখন গঠন কৰা হব।

(খ) আলোচনী আৰু সাহিত্য শাখাৰ উপদেষ্টা গৰাকী সম্পাদনা সমিতিৰ সভাপতি হব।

(গ) আলোচনী আৰু সাহিত্য শাখাৰ সম্পাদকে আলোচনীৰ কাৰণে প্ৰবন্ধ পাতি সংগ্ৰহ কৰিব, উপদেষ্টাৰ পৰামৰ্শ লব আৰু প্ৰবন্ধ পাতিৰ চূড়ান্ত বাছনিৰ বাবে উপদেষ্টাৰ পৰামৰ্শ অনুসৰি সম্পাদনা সমিতিৰ বৈঠক আহ্বান কৰি আলোচনী প্ৰকাশৰ দিহা কৰিব।

অনুচ্ছেদ ১৬ : নিৰ্ব্বাচন (Election)

(ক) কাৰ্য্যকৰী কমিটিৰ নিৰ্ব্বাচন সাধাৰণ পৰিস্থিতিত পূজা বন্ধ বা কলেজৰ বাৰ্ষিক অধিবেশনৰ আগে আগে অনুষ্ঠিত হব।

(খ) মহাবিদ্যালয়ৰ অধ্যক্ষই কাৰ্য্যনিৰ্বাহক কমিটিৰ লগত আলোচনা কৰি কমপক্ষেও নিৰ্ব্বাচন হোৱাৰ ১০ (দহ) দিনৰ আগেয়ে নিৰ্বাচন জাননী দিব। উক্ত জাননীত মনোনয়ন পত্ৰ গ্ৰহণ, পৰীক্ষা, প্ৰত্যাহাৰ আৰু প্ৰতিদ্বন্দী প্ৰাৰ্থী সকলৰ চূড়ান্ত নাম তালিকা প্ৰকাশৰ দিন আদি সকলো কথা স্পষ্টভাৱে উল্লেখ থাকিব।

(গ) গোপন ভোটৰ মাধ্যমত নিৰ্ব্বাচন অনুষ্ঠিত হ'ব আৰু মহাবিদ্যালয়ৰ সকলো নিয়মীয়া ছাত্ৰ-ছাত্ৰীয়ে নিৰ্ব্বাচনত অংশ গ্ৰহণ কৰিব।

(ঘ) মহাবিদ্যালয়ৰ অধ্যক্ষই শিক্ষকসকলৰ মাজৰ পৰা এজনক নিৰ্ব্বাচনী প্ৰাধিকাৰী (Returning officer) নিয়োগ কৰিব আৰু তেওঁক সহায় কৰিবৰ বাবে প্ৰয়োজনীয় সংখ্যক নিৰ্ব্বাচনী বিষয়া (Presiding officer, polling officer etc) নিয়োগ কৰিব।



নিৰ্ব্বাচনী প্ৰাধিকাৰীয়ে এই সকলৰ সহযোগত নিৰ্ব্বাচনৰ সম্পূৰ্ণ দায়িত্ব লৈ পৰিচালনা কৰিব আৰু নিৰ্ব্বাচনৰ ঘোষিত ফলাফল সমূহ 'নিৰ্ব্বাচন প্ৰতিবেদন' (Election Report) অধ্যক্ষক জমা দিব।

(ঙ) অধ্যক্ষই নিৰ্ব্বাচন প্ৰাধিকাৰীক সভাপতি আৰু মহাবিদ্যালয়ৰ দুগৰাকী শিক্ষকক লৈ এখন নিৰীক্ষণ বৰ্ড গঠন কৰিব। বৰ্ডে মনোনয়ন পত্ৰ নিৰীক্ষণ কৰি গৃহীত প্ৰাৰ্থীৰ চূড়ান্ত নাম তালিকা প্ৰস্তুত কৰিব।

(চ) অধ্যক্ষই নিৰ্ব্বাচন প্ৰাধিকাৰীক সভাপতি আৰু দুজন শিক্ষকক লৈ এখন নিৰ্ব্বাচনী ন্যায়াধীকৰণ গঠন কৰিব। নিৰ্ব্বাচন সম্পৰ্কে আপীল (Appeal) কৰিব লগা হলে নিৰ্ব্বাচনৰ ফল ঘোষণা কৰাৰ ২৪ (চৌবিশ) ঘণ্টাৰ ভিতৰত নিৰ্ব্বাচনী আবেদন (Election petition) ৫০/- টকাৰে সৈতে নিৰ্ব্বাচনী ন্যায়াধীকৰণ (Election Tribunal) সভাপতিৰ হাতত জমা দিব লাগিব। নিৰ্ব্বাচনী ন্যায়াধীকৰণে এক সপ্তাহৰ ভিতৰত ইয়াৰ সিদ্ধান্ত ঘোষণা কৰিব। ন্যায়াধীকৰণৰ এই সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হব।

(ছ) নিৰ্ব্বাচনী সম্পৰ্কীয় যাৱতীয় খৰচ একতা সভাৰ পুঁজিৰ পৰা অধ্যক্ষই মঞ্জুৰ কৰিব।

অনুচ্ছেদ ১৮ : নিৰ্ব্বাচনী প্ৰাৰ্থীৰ যোগ্যতা : (Eligibility of candidates For Union Election)

(ক) উপ সভাপতি জন স্নাতক ২য় বা ৩য় বাৰ্ষিক শ্ৰেণীৰ হ'ব লাগিব।

(খ) সাধাৰণ সম্পাদক গৰাকী স্নাতক ১ম বাৰ্ষিক / ২য় বাৰ্ষিকৰ পৰা হব লাগিব।

(গ) প্ৰতিদ্বন্দী ছাত্ৰ বা ছাত্ৰী গৰাকী মহাবিদ্যালয়ৰ পাঠদান কাৰ্য্যত অতি কমেও শতকৰা ৭৫ ভাগ উপস্থিত থাকিব লাগিব।

(ঘ) নিৰ্ব্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থী জনে Tution fees নিৰ্ব্বাচনী মাহলৈকে সম্পূৰ্ণ মাছুল আদায় দিব লাগিব।

(ঙ) একেজন প্ৰস্তাৱক বা সমৰ্থকে একে বিভাগৰে দুজন প্ৰাৰ্থীক প্ৰস্তাৱ বা সমৰ্থন আগবঢ়াব নোৱাৰিব।

(চ) প্ৰাৰ্থীৰ প্ৰস্তাৱক বা সমৰ্থকে নিৰ্ব্বাচনী মাহলৈকে সম্পূৰ্ণ যাৱতীয় মাচুল আদায় দিব লাগিব।

(ছ) বিভাগীয় সম্পাদকৰ বাবে যিকোনো শ্ৰেণীৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াব পাৰিব।

অনুচ্ছেদ ১৯ ঃ অযোগ্যতা (Illegibility)

মহাবিদ্যালয় নিৰ্ব্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা এগৰাকী প্ৰাৰ্থীক তলত দিয়া কাৰণত অযোগ্য বুলি ঘোষনা কৰিব পাৰি।

(ক) অনুচ্ছেদ ১৮ ত উল্লেখ কৰা চৰ্তসমূহ পূৰণ নহয়।

(খ) তেওঁক অধ্যক্ষই 'দিফলটাৰ' (Defaulter) বুলি ঘোষণা কৰে।

(গ) তেওঁ মনোনয়ন পত্ৰৰ ফিজ দিয়া নাই।

(ঘ) কোনো উপযুক্ত কাৰণ নোহোৱাকৈ ইচ্ছাকৃত ভাৱে কলেজৰ পৰীক্ষাসমূহত নিয়মীয়াকৈ বহা নাই।

(ঙ) তেওঁ চৰকাৰী / অৰ্দ্ধচৰকাৰী বিভাগৰ চাকৰিয়াল হয়।

(চ) তেওঁক মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই অসৎ আচৰণৰ বাবে অনুশাসন মূলক ব্যৱস্থা লয়।

(ছ) তেওঁক কোনো ফৌজদাৰী অপৰাধ ক্ষমতাযুক্ত ন্যায়ালয়ে দণ্ডিত কৰে।

(জ) নিৰীক্ষণ বৰ্ডে (Scruting Board) তেওঁক যিকোনো কাৰণত অযোগ্য বুলি ঘোষণা কৰে।



অনুচ্ছেদ ২০ ঃ কাৰ্য্যকাল (Term of office)

(ক) কাৰ্য্যনিৰ্ব্বাহক কমিটিৰ কাৰ্য্যকাল [Tenure] সাধাৰণতে এবছৰ [নতুন কমিটিয়ে কাৰ্য্যভাৰ লোৱাৰ পৰা কাৰ্য্যভাৰ দিয়ালৈকে]। বিশেষ প্ৰয়োজন হলে কাৰ্য্যকৰী কমিটিৰ কাৰ্য্যকাল বৃদ্ধি কৰিব পাৰে। সংবিধানৰ অনুচ্ছেদ ২৯ অনুযায়ী কাৰ্য্যকৰী কমিটি ভঙ্গ কৰা হয়, তেতিয়া মহাবিদ্যালয়ৰ অধ্যক্ষই ন-কৈ নিৰ্ব্বাচন পতাৰ জাননী ঘোষণা কৰিব। এই নিৰ্ব্বাচন আগৰ কাৰ্য্যকৰী কমিটি ভঙ্গ হোৱাৰ ৩০ [ত্ৰিশ] দিনৰ ভিতৰত [পূজাবন্ধ আৰু গৰম বন্ধ বাদ দি] হব লাগিব।

(খ) নিৰ্ব্বাচনৰ ফলাফল ঘোষণা কৰাৰ ১৫ [পোন্ধৰ] দিনৰ ভিতৰত নৱ-নিৰ্ব্বাচিত কাৰ্য্যকৰী কমিটিয়ে কাৰ্য্যভাৰ গ্ৰহণ কৰিব। লগতে পুৰণা কাৰ্য্যকৰী কমিটিয়ে হিচাপ-পত্ৰ সামগ্ৰী আৰু সম্পত্তিৰ বহী সকলো নতুন কমিটিক অৰ্পন কৰিব।

অনুচ্ছেদ ২১ ঃ পদ খালী (Vacancies)

(ক) (১) কাৰ্য্যকৰী কমিটিৰ বাবে অনুষ্ঠিত হোৱা নিৰ্ব্বাচনত কোনো পদত মনোনয়ন পত্ৰ জমা নিদিলে।

(২) কোনো পদৰ বাবে জমা দিয়া মনোনয়ন পত্ৰ নিৰীক্ষণ বৰ্ডে বাতিল হোৱা বুলি ঘোষণা কৰিলে।

(৩) কোনো কাৰ্য্য নিৰ্ব্বাহক সদস্যই সভাপতিৰ পৰা পূৰ্ব্ব অনুমতি নোলোৱাকৈ একেৰাহে তথন কাৰ্য্যনিৰ্ব্বাহক বৈঠকত উপস্থিত নাথাকিলে আৰু তাৰ সন্তোষজনক ব্যাখ্যা দাঙি ধৰিব নোৱাৰিলে।

(৪) কোনো কাৰ্য্যনিৰ্ব্বাহক সদস্যই যদি পদত্যাগ পত্ৰ দাখিল কৰে আৰু সভাপতিয়ে যদি সেই পদত্যাগ পত্ৰ গ্ৰহণ কৰে।

(৫) কাৰ্য্যকৰী কমিটি বা কোনো কাৰ্য্যনিৰ্ব্বাহক সদস্যৰ ওপৰত যদি সাধাৰণ সভাই যথাযথ ভাৱে অনাস্থা প্ৰস্তাৱ দাখিল

কৰে আৰু সেই প্ৰস্তাৱ যদি সাধাৰণ সভাত সাধাৰণ সংখ্যাগৰিষ্ঠতাত গৃহীত হয়।

(খ) শিক্ষক উপদেষ্টাৰ ক্ষেত্ৰত যিকোনো কাৰণত উপদেষ্টাৰ পদ খালী হলে সভাপতিয়ে অনুচ্ছেদ ১১ [এঘাৰ] মতে মনোনীত কৰিব।

(গ) কাৰ্য্যনিৰ্ব্বাহক সদস্যৰ পদ খালী হৈ থকা অৱস্থাত সাধাৰণ সম্পাদকে সেই বিভাগৰ উপদেষ্টাৰ সহায় আৰু পৰামৰ্শত অস্থায়ী ভাৱে কাম-কাজ কৰিব।

(ঘ) খালী হোৱা পদসমূহ কাৰ্য্যকৰী কমিটিয়ে সহযোজন কৰিব।

অনুচ্ছেদ ২২ঃ অনাস্থা প্ৰস্তাৱ (No Confidence Motion)

(ক) একতা সভাৰ ⅓ অংশ সদস্যই কাৰ্য্যকৰী কমিটি বা কোনো কাৰ্য্যকৰী সদস্যৰ ওপৰত লিখিত ভাৱে অনাস্থা প্ৰস্তাৱ তুলিলে এই অনাস্থা প্ৰস্তাৱ কাৰ্য্যকৰী বৈঠকত কমেও ⅔ অংশ কাৰ্য্যনিৰ্ব্বাহক সদস্যৰ দ্বাৰা সম্মতি প্ৰাপ্ত হোৱাৰ পাছত সাধাৰণ সভাত সাধাৰণ সংখ্যাগৰিষ্ঠতাত গৃহীত হব লাগিব।

এই সাধাৰণ সভাখন সভাপতিৰ অনুমোদন ক্ৰমে অনুস্থিত কৰা হব।

অনুচ্ছেদ ২৩ঃ থুল (Quorum)

⅓ অংশ সদস্যৰে কাৰ্য্যনিৰ্ব্বাহক থুল গঠন হব। থুলৰ অভাৱত এবাৰ স্থগিত হোৱা সভা পুণৰ আহ্বান কৰিলে থুল গঠন নহলেও হব। কিন্তু স্থগিত সভাত কোনো নতুন বিষয় আলোচনা কৰিব নোৱাৰিব।



অনুচ্ছেদ ২৪ঃ অডিট্ বৰ্ড (Audit Board)

কাৰ্য্যনিৰ্ব্বাহক কমিটিয়ে মহাবিদ্যালয়ৰ শিক্ষকসকলৰ পৰা দুজনক আৰু এজন একতা সভাৰ সদস্যক (স্নাতক শ্ৰেণীৰ) লৈ এখন অডিট্ বৰ্ড গঠন কৰিব। বৰ্ডে সংবিধানৰ অনুচ্ছেদ ৬[চ] মতে কাম কৰিব।

অনুচ্ছেদ ২৫ঃ ফিজ (Fees)

সকলো ছাত্ৰ-ছাত্ৰীয়ে সভ্য হিচাপে বাধ্যতামূলক বছৰেকীয়া 'ইউনিয়ন ফিজ' একতা সভাৰ পুঁজিলৈ (Union fund) বৰঙণি হিচাবে দিব লাগিব। মহাবিদ্যালয়ৰ অধ্যক্ষই কাৰ্য্যনিৰ্ব্বাহক কমিটিৰ লগত আলোচনা কৰি বৰঙণিৰ হাৰ নিৰ্দ্ধাৰণ কৰিব।

অনুচ্ছেদ ২৬ঃ সভাৰ পুঁজি (Union Fund)

(ক) ছাত্ৰ সকলৰ পৰা সভাৰ পুঁজিৰ নামত সংগৃহীত সকলো প্ৰকাৰৰ বৰঙণি সভাৰ পুঁজিত জমা হব [অনুচ্ছেদ ২৫]

(খ) সন্থাৰ পুঁজি অধ্যক্ষই পৰিচালনা কৰিব আৰু তেখেতৰ অনুমোদন সাপেক্ষেহে পুঁজিৰ টকা খৰচ কৰিব পাৰিব।

(গ) বিভাগীয় উপদেষ্টাৰ অনুমোদন সাপেক্ষেহে অধ্যক্ষই টকা অনুমোদন কৰিব।

(ঘ) সন্থাৰ পুঁজিত জমা হোৱা টকা সুকীয়া (Seperate) হিচাবত (Account) আৰু ওচৰৰ বেঙ্কত জমা থব।

(ঙ) কাৰ্য্যনিৰ্ব্বাহক কমিটিৰ 'বাজেট বৈঠকত' সন্থাৰ পুঁজিত জমা হোৱা পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰি মুঠ জমাৰ ২০%ভাগ আচুতী-

যাকৈ ৰাখি বিভাগায় ভাগ বিতৰণ কৰিব। ভাগ বিতৰণত বিভাগৰ গুৰুত্ব আৰু আৱশ্যকতা নিৰ্ভৰ কৰিব।

(চ) 'অডিট বৰ্ডে' একতা সভাৰ যাৱতীয় হিচাব কাৰ্য্যকালৰ শেষৰ ফালে পৰীক্ষা কৰি অধ্যক্ষৰ ওঁচৰত দাখিল কৰিব।

(ছ) কোনো উৎসৱ পাৰ্বণ বা অনুষ্ঠানৰ বাবে পুঁজিৰ পৰা টকা উলিয়ালে সেই টকাৰ হিচাব ১০ দিনৰ ভিতৰত বিভাগীয় উপদেষ্টাৰ জৰিয়তে অধ্যক্ষক জমা দিব।

অনুচ্ছেদ ২৭ : সংশোধন (Amendment)

সংবিধানৰ কোনো দফা বা কোনো অংশৰ সংশোধন কৰিবলৈ হলে তলত দিয়া উপায়েৰে কৰিব পাৰিব।

(ক) সংশোধনৰ বাবে কাৰ্য্যনিৰ্ব্বাহক কমিটিত সাধাৰণ সংখ্যাগৰিষ্ঠতাৰে প্ৰস্তাৱ লৈ সাধাৰণ সভা আহ্বান কৰি মুঠ ছাত্ৰ - ছাত্ৰীৰ শতকৰা ৫০ ভাগৰ উপস্থিতিত উক্ত প্ৰস্তাৱ উত্থাপন কৰিব পাৰিব আৰু এই প্ৰস্তাৱ সাধাৰণ সংখ্যাগৰিষ্ঠতাৰ দ্বাৰা সমৰ্থন পাব লাগিব।

(খ) সংশোধনৰ বাবে মহাবিদ্যালয়ৰ নিয়মীয়া মুঠ ছাত্ৰ-ছাত্ৰীৰ ⅓ অংশ সদস্যৰ পৰা লিখিত প্ৰস্তাৱ আহিলে সেই প্ৰস্তাৱ কাৰ্য্যনিৰ্বাহকৰ সাধাৰণ সংখ্যাগৰিষ্ঠতাৰ সমৰ্থনত গৃহীত কৰি এই প্ৰস্তাৱ সাধাৰণ সভাত শতকৰা ৫০ ভাগৰ উপস্থিতিত গৃহীত হব লাগিব।

অনুচ্ছেদ ২৮ : কাৰ্য্যনিৰ্ব্বাহক কমিটি ভঙ্গকৰণ (Dissolution of the Executive Committee)

(ক) কাৰ্য্যনিৰ্বাহক কমিটিত যদি অচল পৰিস্থিতিৰ ( Chaos ) উদ্ভৱ হয় বা গভীৰ বিশৃঙ্খলতাৰ সৃষ্টি হয়, যাৰ দ্বাৰা কাৰ্য্যনিৰ্ব্বাহক



কমিটিয়ে লক্ষীমপুৰ কেন্দ্ৰীয় মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সংবিধানৰ মতে কাৰ্য্য পৰিচালনা কৰাত অসম্ভৱ হৈ উঠিছে বা কাৰ্য্যনিৰ্বাহক কমিটিয়ে সমূহ ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থৰ বিপৰীতে গৈছে বুলি মহাবিদ্যালয়ৰ অধ্যক্ষ পতিয়ন যায়, তেনে ক্ষেত্ৰত অধ্যক্ষই কাৰ্য্যনিৰ্ব্বাহক কমিটি ভঙ্গ কৰিব।

(খ) সাধাৰণ সভাত যদি কাৰ্য্যকৰী কমিটিৰ ওপৰত অনা অনাস্থা প্ৰস্তাৱ গৃহীত হয়।

অনুচ্ছেদ ২৯ : বিশেষ অনুচ্ছেদ

মহাবিদ্যালয়ে নিজাঘৰ সহ পূৰ্ণাঙ্গ পৰ্য্যায় প্ৰাপ্ত নোহোৱালৈকে সংবিধানৰ বিশেষ অনুচ্ছেদ আৱশ্যক অনুযায়ী অধ্যক্ষই স্থগিত ৰাখিব পাৰিব।

অনুচ্ছেদ ৩০ : সাধাৰণ সভাত গৃহীত হোৱা সংবিধানখন অধ্যক্ষৰ অনুমোদন ক্ৰমে বলবৎ হ'ব।

আজিৰ সাধাৰণ সভাত সংবিধানখন সৰ্ব্বসম্মতি ক্ৰমে গ্ৰহণ কৰা হ'ল।

স্বা : শ্ৰীমোহন চন্দ্ৰ বয়
সভাপতি
তাং : ২৮/১১/৯৪

স্বা : শ্ৰীসুৰেশ গোস্বামী
সভাপতি
সংবিধান খচৰা কমিটি

সংবিধান খচৰা কমিটিৰ সদস্য সকলৰ চহী—

শ্ৰীমতী দীপিকা বৰগোহাঁই
শ্ৰীহেম চন্দ্ৰ হাজৰিকা
শ্ৰীগজেন চাহু
শ্ৰীদুৰ্গেশ্বৰ হাজৰিকা